জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৪/২০২০

## রিজনেল ইনষ্টিটিউট অব লাইভষ্টক এণ্টাৰপ্ৰিনিউৰশ্বিপ এণ্ড মেনেজমেণ্ট পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

# ৰাজ্যিক চিৰিয়াখানাকে ধৰি বিভিন্ন অভয়াৰণ্যসমূহৰ বন্যপ্ৰাণীসমূহৰ স্বাস্থ্য পৰীক্ষাৰ পদক্ষেপ ল'বলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে ঃ মুখ্যমন্ত্ৰী

## ৰাজ্যৰ পশু চিকিৎসা আৰু পশুপালন বিভাগ তথা বন বিভাগক ৰাণীস্থিত ইণ্ডিয়ান কাউন্সিল অৱ এগ্ৰিকালচাৰেল ৰিচাৰ্চৰ সৈতে একেলগে ৰাজ্যখনৰ গাহৰিক আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ সংক্ৰমণৰ পৰা মুক্ত কৰাৰ বাবে এক বিস্তৃত পৰিকল্পনা যুগুতাবলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৪ মে'ঃ** সমগ্ৰ বিশ্বৰ লগতে অসমৰ জনসাধাৰণেও নভেল কৰ'ণা ভাইৰাছৰ বিৰুদ্ধে যুঁজ দি থকাৰ সময়তে অসমৰ গাহৰি পালকসকলে আফ্ৰিকান ছ'ৱাইন ফিভাৰে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাণীস্থিত ৰিজনেল ইনষ্টিটিউট অৱ লাইভষ্টক এন্টাৰপ্ৰিনিউৰশ্বিপ এণ্ড মেনেজমেন্ট পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ বুজ লোৱাৰ উপৰি ৰাজ্যৰ পশু চিকিৎসা আৰু পশুপালন বিভাগ তথা বন বিভাগক ৰাণীস্থিত ইণ্ডিয়ান কাউন্সিল অৱ এগ্ৰিকালচাৰেল ৰিচাৰ্চৰ সহযোগত ৰাজ্যখনৰ গাহৰিক আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ সংক্ৰমণৰ পৰা মুক্ত কৰাৰ বাবে এক বিস্তৃত পৰিকল্পনা যুগুতাবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ এই দুয়োটা বিভাগকে আই চি এ আৰৰ নেশ্যনেল পিগ ৰিচাৰ্চ চেন্টাৰৰ সৈতে এই সমস্যা দূৰীকৰণৰ বাবে যাৱতীয় পৰিকল্পনা যুগুতাই নিশ্চিত পদক্ষেপ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আজিৰ এই পৰিদৰ্শনৰ সময়তে আই চি এ আৰ আৰু ৰিজনেল ইনষ্টিটিউট অৱ লাইভষ্টক এন্টাৰপ্ৰিনিউৰশ্বিপ এণ্ডমেনেজমেন্টৰ চিকিৎসকসকলৰ সৈতে এক বৈঠকত মিলিত হৈ ৰাজ্যখনৰ গাহৰি পালকসকলে সন্মুখীন হোৱা এই সমস্যা নিৰাময়ৰ সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে পশু চিকিৎসকসকলৰ লগতে বিভাগৰ বিভিন্ন বিষয়াবৰ্গক ৰাজ্যখনৰ গাহৰি পালন কৰা ক্ষেত্ৰসমূহৰ সম্পূৰ্ণ পৰিষ্কাৰ-পৰিচ্ছন্নতা তথা বীজানুমুক্তকৰণৰ নিশ্চিত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ যিহেতুকে এতিয়ালৈকে কোনোধৰণৰ প্ৰতিষেধক ওলোৱা নাই, সেয়েহে পৰিষ্কাৰ-পৰিচ্ছন্নতা, আক্ৰান্ত নোহোৱা গাহৰি নিলগীয়াকৰণ আৰু আবদ্ধকৰণ ইত্যাদি প্ৰট'কলসমূহ উচিতভাৱে মানি চলাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই ৰোগৰ প্ৰাদুৰ্ভাৱৰ পিছতে পশু বিশেষজ্ঞৰে সন্নিৱিষ্টকৰণেৰে এক পাৰদৰ্শী গোট গঠন কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে পশু চিকিৎসা আৰু পশুপালন বিভাগক সমগ্ৰ ৰাজ্যজুৰি এই ৰোগ নিয়ন্ত্ৰণৰ দিশত বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ

কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ গাহৰি পালনৰ লগত জড়িত গাহৰি পালকৰ সম্পূৰ্ণ তথ্যৰ লগতে তেওঁলোকৰ বিত্তীয় দায়বদ্ধতাৰ তথ্য আহৰণ কৰাৰ বাবেও বিভাগক নিৰ্দেশ দিয়ে যাতে ৰাজ্য চৰকাৰে তেওঁলোকলৈ ক্ষতিপূৰণ প্ৰদান সম্পৰ্কত এক বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

উল্লেখ্য যে আফ্ৰিকান ছ'ৱাইন ফিভাৰ হ'ল আফ্ৰিকা মহাদেশত উদ্ভৱ হোৱা গাহৰিৰ এক বিশেষ ৰোগ। ১৯২১ চনত কেনিয়া আৰু ইথিওপিয়াত এই ৰোগৰ প্ৰাদুৰ্ভাৱ হৈছিল।

আজিৰ এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে নিউক্লিয়াছ পিগ ব্ৰিডিং চেন্টাৰো পৰিদৰ্শন কৰি ইয়াত পালিত হৈ থকা গাহৰিসমূহৰ অৱস্থাৰ বুজ লয়।

মুখ্যমন্ত্ৰীয়ে লগতে ৰিজনেল ইনষ্টিটিউট অৱ লাইভষ্টক এন্টাৰপ্ৰিনিউৰশ্বিপ এণ্ড মেনেজমেণ্টৰ দক্ষতা উন্নয়ন কাৰ্যসূচীৰো বুজ লোৱাৰ উপৰি এই প্ৰশিক্ষণত যাতে অধিক উদ্যোগীক জড়িত কৰিব পৰা যায়, তাৰ বাবেও পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰা, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, ৰাণীস্থিত আই চি এ আৰৰ গাহৰি গৱেষণা কেন্দ্ৰৰ সঞ্চালক ড° স্বৰাজ ৰাজখোৱা, পশু পালন আৰু পশু চিকিৎসা বিভাগৰ সঞ্চালক ড° পুলিন চন্দ্ৰ দাস, পশু চিকিৎসা মহাবিদ্যালয়ৰ ডীন ড° বিবেকানন্দ শইকীয়া, ৰিজনেল ইনষ্টিটিউট অৱ লাইভষ্টক এণ্টাৰপ্ৰিনিউৰশ্বিপ এণ্ড মেনেজমেন্টৰ সঞ্চালক ড° এন এন মহন্তৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'ণা ভাইৰাছৰ সংক্ৰমণে বিশ্বৰ সমগ্ৰ মানৱ সমাজলৈ যিদৰে এক প্ৰত্যাহ্বান কঢ়িয়াই আনিছে, ঠিক তেনেদৰে আমাৰ ৰাজ্যখনৰ পশুকুলো এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সম্প্ৰতি আমাৰ ৰাজ্যখনৰ কিছুসংখ্যক জিলাত গাহৰিৰ মাজত আফ্ৰিকান ছ'ৱাইন ফিভাৰে দেখা দিয়া কথাটো ইতিমধ্যে নিশ্চিত হৈছে আৰু এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে নিৰ্দেশনা দিছে। এই সন্দৰ্ভত পশু চিকিৎসা আৰু পশুপালন বিভাগে ৰাইজৰ সহযোগত সন্মিলিত প্ৰচেষ্টা চলাইছে। ইতিমধ্যে এই গাহৰি পালনৰ লগত জড়িত বিভিন্ন সংস্থাৰ সৈতে আমাৰ কৃষিমন্ত্ৰী অতুল বৰাই কালি আলোচনাত মিলিত হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ এই সন্দৰ্ভত অহা নিৰ্দেশনা কাৰ্যকৰী ৰূপ দিয়াৰ বাবে এক ৰোডমেপ প্ৰস্তুত কৰিছে। অসমৰ জনসাধাৰণ বিশেষকৈ গ্ৰামাঞ্চলৰ জনসাধাৰণৰ সহযোগত এই নীতি-নিৰ্দেশনা সঠিকৰূপত পালন কৰিব পৰা যাব। এই ক্ষেত্ৰত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ লগতে কৃষি বিভাগক আমি সকলোৱে সহযোগিতা কৰিব লাগিব। ৰাজ্যখনৰ বন্য জন্তুৰ দিশতো প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। সেয়েহে ৰাজ্যৰ বন আৰু পশুপালন বিভাগক ৰাজ্যিক চিৰিয়াখানাকে ধৰি বিভিন্ন অভয়াৰণ্যসমূহৰ বন্যপ্ৰাণীসমূহৰ স্বাস্থ্য পৰীক্ষাৰ পদক্ষেপ ল'বলৈ ইতিমধ্যে নিৰ্দেশ দিয়াৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ বাবে গাহৰিৰ যেনেদৰে সংকট নামি আহিছে, তেনে সংকট যাতে অন্যান্য পশু-পক্ষীৰ জীৱনলৈ নাহে তাৰ বাবে জৰুৰী পদক্ষেপ লোৱাটো একান্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰি বন তথা পশুপালন আৰু

পশু চিকিৎসা বিভাগৰ চিকিৎসকসকলে এই দিশত অচিৰেই পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰাৰ পদক্ষেপ ল'ব বুলি তেওঁ অৱগত কৰে। এই দিশত ৰাইজৰ মাজত যথেষ্ট সজাগ আৰু সচেতনতা সৃষ্টিৰে সংবাদকৰ্মীসকলে যথেষ্ট অৰিহণা আগবঢ়াই অহাৰ লগতে ইতিমধ্যে বিজ্ঞাপনৰ জৰিয়তে এই ৰোগবিধৰ সম্পৰ্কে জনসাধাৰণক বিস্তৃতভাৱে অৱগত কৰোৱা হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**৪/৫/২০২০**